# Society, Communities and Contemporary Trends of Culture : Local and Global Perspectives

Editors : Mrs Dipanjali Kalita
Ms Bhairabi Baro

# Society, Communities and Contemporary Trends of Culture : Local and Global Perspectives

Editors : Mrs Dipanjali Kalita
Ms Bhairabi Baro

BANI PRAKASH PVT. LTD
GUWAHATI

*Published by*
Bani Prakash Pvt. Ltd.
Guwahati

in associate with

**Women's Cell**
Jawaharlal Nehru College, Boko

Edition - 2018

ISBN -13
978-81-7643-169-9

© Bani Prakash Pvt. Ltd.

Price : 500.00

Printed at : THE ARYA Printer
Rajgarh, Guwahati
Mobile No. :- 98640-15057

**Editorial Board:**

**Chairman:** **Dr Nripen Goswami**
**Principal, J.N.College,Boko**

**Editors:** Mrs. Dipanjali Kalita
Ms. Bhairabi Baro

**Members:**

Dr Jayashri Bhuyan, Dr Binaya Devi, Mrs. Rumita Phukon, Mrs. Bijaya Deka, Mrs.Nanda Devi, Mrs. Purabi Rabha, Mrs.Minati Barman, Mrs. Manjira Sarma, Mrs.Dipanjali Das, Mrs. Alimpa Bhuyan, Mrs. Anamika Baishya, Ms. Jutika Patir, Mrs. Pallabi Deka.

**Members of the Review Committee :**

1. Dr Bibhuti Bhukhan Panda. Principal, B.P. Chaliha College, Nagarbera
2. Dr Kamaleswer Thakuria. Associate Professor. J.N. College, Boko (Retd)
3.Dr Lalit ch Rabha Associate Professor.J.N.College,Boko
4. Mrs Ratnamala Sarma. Associate Professor.J.N.College,Boko
5.Dr Rekha Chetry. Assistant Professor.J.N.College,Boko

সমাজ আৰু সংস্কৃতিৰ প্ৰতিচ্ছবি / অনুপমা বাভা, তুনুকা বাঙ্গা 118
14. নৱ প্ৰজন্মৰ সাজ-পোছাক প্ৰৱণতা ঃ এক.অধ্যয়ন / বিজয়া ডেকা 127

## English

15. "Rebirth": An assessment of the Indian society and culture Vis-a Vis the standpoint of a woman / Alimpa Bhuyan Boruah 135
16. Socio – Cultural Ideology and Gender Relations in Select Novels of Shashi Deshpande and Alice Walker : A Cross-Cultural Perspective / Chandana Goswami 146
17. A Study on the Gender Difference in Mathematics Education / Dr. Dipankar Sarma 158
18. Importance of English as L-2 in Understanding the Cross Culture Currents across the National Border : Assam Context / Chandan Kalita 168
19. Ancient Indian Culture And Education: An Overview of Vedic Period / Dipanjali kalita 186
20. Role of Education in Culture Conservation and its Impact on Livelihood in
21. North Kamrup Area With Special Referrence to Hajo / Manisha Majumdar 192
22. Religious Belief and Practices of The Sakta and The NEO-Vaisnavite Kaibarta of Kukurmara Area of South Kamrup : a Study / Diganta Kumar Das 204
23. Cultural Changes of The Bodo Community- With Special Reference to their Food Habits: An Analytical Study / Detsung Swargiary 218
24. Role of Gender in cultural activities with special reference to Productive and Domestic activities among the Rabha people of Boko area. / Ms Swarnamayee Talukdar 228
25. Jou and Bodo Culture / Niran Brahma 235
26. The Transition of Mising Riligious Beliefs And Practices / Gourav Pegu 244
27. The Role Of Culture And Sustainable Rural Development Of The Bodo Community Of Assam (With Special Reference to Bodo Women): A Case Study in Baksa District Of Assam / Mr. Prithwiraj Swargiary, Mrs Kabita Ramchiary 254

# নৱ প্ৰজন্মৰ সাজ-পোছাক প্ৰৱণতা ঃ এক অধ্যয়ন

বিজয়া ডেকা
সহযোগী অধ্যাপিকা, শিক্ষা বিভাগ
জৱাহৰলাল নেহৰু মহাবিদ্যালয়

০১. আৰম্ভণি (Introduction) ঃ

সংস্কৃতিয়ে মানবীয় সকলো দিশকে সামৰি লয়। মানুহৰ আচৰণ আৰু জনৰ যোগেদি মস্তিস্কৰ যি বিকাশ ঘটে সেই সকলোবোৰেই বহল অৰ্থত সংস্কৃতি। ই কোনো এখন সমাজত বাস কৰা লোকসকলৰ আচাৰ-ব্যৱহাৰ, সাজ-পোছাক, খাদ্য-অভ্যাস, শিল্পকলা, নৃত্য, জ্ঞান-বিজ্ঞান আদিক সামৰি লয়। অৰ্থাৎ "সংস্কৃতি এগনে এক সংমিশ্ৰণ যি জ্ঞান বিজ্ঞান, কলা, নীতি-আইন, আচাৰ-ব্যৱহাৰ অভ্যাস আৰু সামাজিক প্ৰাণী হিচাপে মানুহে আহৰণ কৰিবলগীয়া সকলো জ্ঞান সামৰি লয়" (E.B Tylar)। এই সংস্কৃতি হৈছে "সমসাময়িক মূল্যবোধৰ এক সংগঠিত প্ৰকাশ যি কলা আৰু ঐতিহ্যৰ সহায় জীয়াই থাকে" (ৰেড্‌ফিল্ড)। সংস্কৃতি কোনো এখন ঠাইৰ ভৌগোলিক পৰিৱেশ, আৰ্থ সামাজিক দিশ ধৰ্মীয় বিশ্বাস আদি অনুসৰি পৃথক হয়। সংস্কৃতি সদায় গতিশীল। পৰিৱৰ্তিত সময় আৰু পৰিৱেশে ইয়াৰ ওপৰত প্ৰভাৱ পেলায়।

০২. ভাৰতীয় সাজ-পোছাক (Indian Dress & Custume) ঃ

ভাৰতবৰ্ষ এখন বিশাল দেশ। পৰ্বত-পাহাৰ, নদ-নদী, ভৈয়ামে আবৰা দেশখনত নানান জাতি, ধৰ্ম বৰ্ণৰ লোকে বাস কৰে। সেয়ে ভাৰতীয় সংস্কৃতিৰ এক বিচিত্ৰতা পৰিলক্ষিত হয়। দেশখনত বাসকৰা লোকসকলৰ মাডত পৰিধান কৰা সাজ-পোছাকৰ ক্ষেত্ৰতো ভিন্নতা আৰু বিচিত্ৰতা দেখা যায়। শাৰী-ব্লাউজ, চুৰিদাৰ-কামিজ, ঘাগ্ৰা, ধুতি-পাঞ্জাবী, কুৰ্তা পাগুৰি আদি ভাৰতীয় লোকসকলৰ পৰম্পৰাগত সাজ-পোছাক।

০৩. ভাৰতীয় সাজ-পোছাক (Assamese Dress & Custume) ঃ

ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন জাতি-গোষ্ঠী সমূহৰ মাজত বাৰে-

বৰণীয়া সাজ-পোছাকৰ প্ৰয়োভৰ দেখা যায়। অসমীয়া সাজ-পোছাকৰো এক ঐতিহ্য আছে। "অসমীয়া সাজপাৰ, অসমৰ জলবায়ু, অসমৰ সামাজিক মৰ্যদা, সাংস্কৃতিক আৰু ধৰ্মীয় পৰম্পৰাৰ লগত জড়িত। এতেকে, স্বাভাৱিকতে অসমীয়া সাজপাৰৰ নিজস্ব বৈশিষ্ট্য আৰু ইয়াৰ আকৃতি গুণ আৰু ৰূপৰ লগত সংযুক্ত হৈ আছে।" (শইকীয়া ঃ)। অতীততে অসমীয়া পুৰুষসকলে ধুতি, চুৰিয়া, চেলেং গামোচা, খনীয়া কাপোৰ, চোলা পাগুৰি আদি ব্যৱহাৰ কৰিছিল। মহিলাসকলে মেখেলা-চাদৰ, ব্লাউজ পৰিধান কৰে। অৱশ্যে গঞা বুঢ়ী মানুহে মেখেলাখন বুকুৰ স্তন ঢাকি পিন্ধাও দেখা যায়।

অসমীয়া মানুহৰ সাজপাৰ প্ৰধানত—কপাৰ, এড়ী, মুগা আৰু পাটসূতাৰে বোৱা হয়। পাটমুগাৰ কাপোৰ মৰ্যদা সম্পন্ন। এইবোৰ বিশেষ অনুষ্ঠানতহে পৰিধান কৰা হয়। কপাহী কাপোৰহে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰে। অসমৰ জনজাতীয় লোকসকলৰ মাজত দখনা, আৰনাই, কাম্বাং, ডাকবন্ধা, এগে আদিৰ প্ৰচলন আছে । ৰিহা-মেখেলা চাদৰ আৰু গামোচাত অসমীয়া শিপিনীয়ে বছা ফুলবোৰ চালে চকুৰোৱা। ফুলবছা, বুটা দিয়া, গুটি বুলোৱা, গুণা ফুটুকীয়া কৰা, গুণা দিয়া, বনকৰা বা কাৰ্চিপি কৰা, মিনা কৰাৰ দৰে কামৰ মাজত শিপিনীৰ দক্ষতা, সৌন্দৰ্যবোধ দুয়োটাই ফুটি উঠে। "ছাঁতে শুকুৱা, মুঠিতে লুকোৱা" অসমীয়া পাট কাপোৰৰ আদৰ সৰ্বজনমবিদিত। এনে ৰঙৰ বাছনি আৰু ফুলৰ আৰ্হিৰ মাজত সাধাৰণ মানুহৰ নান্দনিক চেতনাৰ স্বাভাৱিক প্ৰকাশ ঘটে।

এসময়ত অসমীয়া জীয়াৰী-বোৱাৰী বয়ন শিল্পত নিপুণ আছিল। "অসমীয়া মহিলাই একেৰাতিৰ ভিতৰতে সূতা কাটি তাঁত বৈ উলিওৱা 'কৱচকাপোৰ' যুজলৈ যোৱা পতিক পিন্ধাই পঠাইছিল। বিশ্বাস আছিল যে এনে কাপোৰ গাত লৈ গ'লে কোনো অপায়-অমঙ্গল হ'ব নোৱাৰে। (শইকীয়া ঃ ২০১৩ ঃ২১০)।

সংস্কৃতি যিহেতু পৰিবৰ্তনশীল আৰু পৰিবৰ্দ্ধনশীল, গতিকে অসমীয়া সংস্কৃতিও এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। অসমীয়া লোক সকলৰ আচাৰ-ব্যৱহাৰ, খাদ্য-অভ্যাস তথা পিন্ধন উৰণতো এই কথা পৰিলক্ষিত হয়। আহোম যুগৰে পৰা আৰম্ভ কৰি দীঘলীয়া পৰিক্ৰমাত অসমীয়া সাজপাৰত বাহিৰৰ সাজপাৰে নানা ধৰণে প্ৰভাৱ পেলাইছে। মোগল যুগৰ কিছু সাজপাৰো অসমীয়া লোকে

ব্যৱহাৰ কৰিবলৈ ললে। সেইদৰে পশ্চিমীয়া সাজপাৰবো আগমন ঘটিল।

**০৪. অধ্যয়নৰ গুৰুত্ব ( Significance of the study)**

পৰম্পৰাগত সাজপাৰৰ প্ৰতি থকা আকৰ্ষণৰ উপৰিও পৰিবৰ্তিত সময়ত বিভিন্ন সমাজ ব্যৱস্থাৰ লোকে পৰিধান কৰা সাজ-পোছাকৰ প্ৰতিও অসমীয়া মানুহে এক তীব্ৰ আকৰ্ষণ অনুভৱ কৰিছে। সময়ৰ পৰিৱৰ্তনে গোটেই বিশ্বতে মানুহৰ খাদ্য-অভ্যাস, সাজপাৰ পিন্ধন, চিন্তা-চৰ্চা আদিত এক প্ৰভাৱ পেলাইছে। বিজ্ঞানৰ ন ন আৱিষ্কাৰ আৰু ইয়াত ব্যৱহাৰ যেনে—দৃশ্য শ্ৰব্য, যোগাযোগ আদিৰ উন্নত ব্যৱস্থাই মানুহৰ দৈনন্দিন জীৱন ধাৰণ প্ৰক্ৰিয়াত এক অভাৱনীয় পৰিবৰ্তন আনিছে। ভাৱৰ বিনিময়, কলাৰ বিনিময়, বৈদ্যুতিক মাধ্যমেৰে ক্ৰয় বিক্ৰয় আদি ব্যৱস্থাৰ ফলত সাংস্কৃতিক ভাৱ-ভাষা, পিন্ধন-পোছাক আদি পৰিধান কৰিবলৈ সুযোগ লাভ কৰিছে। নতুন বস্তুৰ প্ৰতি থকা স্বাভাৱিক আকৰ্ষণৰ প্ৰৱণতা, সহজ লভ্যতা, ব্যৱহাৰৰ সুচলতা, বিভিন্ন ডিজাইন আদিয়ে এই চাম লোকক আকৰ্ষণ কৰিছে আৰু ৰুচিবোধৰ ভিন্নতা আনিছে। পৰিৱৰ্তিত সমাজ আৰু বিভিন্ন সংস্কৃতিৰ চাপে নৱ প্ৰজন্মৰ ৰুচি প্ৰৱণতাত প্ৰভাৱ পেলাইছে। উল্লেখযোগ্য যে নৱ প্ৰজন্মৰ ভাৱ প্ৰৱণতা, আচাৰ-ব্যৱহাৰে একোখন সমাজৰ প্ৰস্থিতি দাঙি ধৰে আৰু সু-শৃঙ্খলিত সামাজিক ধাৰণাৰ সৃষ্টি কৰে। সেয়েহে বিদ্যালয় মহাবিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন ৰুচি ভিন্নতা আৰু সাংস্কৃতিক দায়বদ্ধতা অতি গুৰুত্বপূৰ্ণ। এনে এক পৰিপ্ৰেক্ষিতে বকো ছোৱালী হাইস্কুল, কনিষ্ঠ মহাবিদ্যালয়, বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকোৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাজ-পোছাক পিন্ধন প্ৰৱণতা, অধ্যয়ন কৰিবলৈ বিনম্ৰ প্ৰয়াস কৰা হৈছে।

**০৫. অভিকল্প গাঁঠনি ( Design of Study) ঃ**

**৫.১. অধ্যয়ন শিৰোনাম ( Statement of the problem) ঃ**

উপৰোক্ত আলোচনাৰ ওপৰত গুৰুত্ব দি এই অধ্যয়নৰ শিৰোনাম ৰখা হৈছে

**"নৱ-প্ৰজন্মৰ সাজ-পোছাক পৰিধান প্ৰৱণতা ঃ এক অধ্যয়ন"**

**৫.২. অধ্যয়নৰ উদ্দেশ্য (Objectives) ঃ**

(ক) সংস্কৃতিৰ বিষয়ে অধ্যয়ন কৰা

(খ) অসমীয়া সাজ-পাৰৰ বিষয়ে অধ্যয়ন কৰা

(গ) নৱ প্ৰজন্মৰ (অসমীয়া) সাজ-পেছাক পৰিধান প্ৰৱণতাৰ বিষয়ে অধ্যয়ন কৰা।

**৫.৩. অধ্যয়ন ক্ষেত্ৰ (Study area) ঃ**

এই অধ্যয়নে বকো ছোৱালী হাইস্কুল, কনিষ্ঠ মহাবিদ্যালয়, বকো আৰু জৱহৰলাল নেহৰু মহাবিদ্যালয়, বকো এই তিনিখন শিক্ষানুষ্ঠান সামৰি লৈছে। আটাইকেইখন শিক্ষানুষ্ঠান অসমৰ কামৰূপ জিলাৰ বকো উন্নয়ন খণ্ডৰ অন্তৰ্ভুক্ত আৰু ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ এলেকাধীন। গুৱাহাটী জালুকবাৰীৰ পৰা ৫১ কিলোমিটাৰ পসিচম দিশে আৰু ব্ৰহ্মপুত্ৰ নদৰ দক্ষিণ পাৰত অৱস্থিত। আটাইকেইখন শিক্ষানুষ্ঠানক ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথে চুই গৈছে।

**৫.৪. অধ্যয়নৰ সীমাবদ্ধতা (Delimitation of the study) ঃ**

(ক) এই অধ্যয়নে বকো ছোৱালী হাইস্কুল কনিষ্ঠ মহাবিদ্যালয়, বকো আৰু জৱহৰলাল নেহৰু মহাবিদ্যালয়, বকোৰ ছাত্ৰ-ছাত্ৰীৰ মাজতে সীমাবদ্ধ।

(খ) এই অধ্যয়নে ৪০০ গৰাকী ছাত্ৰ-ছাত্ৰী (বয়স ১৫-২০ বছৰ) সামৰিছে।

(গ) এই অধ্যয়নে দশম শ্ৰেণী, একাদশ শ্ৰেণী, দ্বাদশ শ্ৰেণী আৰু স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীকহে সামৰি লৈছে।

(ঘ) এই অধ্যয়ন কেৱল কলা-শাখাতে (মহাবিদ্যালয় পৰ্যায়ত) সীমাবদ্ধ।

**৬.০ পদ্ধতি ঃ (Methodology) ঃ**

অধ্যায়নৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি এই অধ্যয়নত বৰ্ণনাত্মক জৰিপ (Descriptive-Survey) পদ্ধতি ব্যৱহাৰ কৰা হৈছে।

**৬.১. জনসংখ্যা আৰু নমুনা (Population and Sample) ঃ**

বকো ছোৱালী হাইস্কুলৰ দশম শ্ৰেণীৰ সমূহ ছাত্ৰী,কনিষ্ঠ মহাবিদ্যালয়, বকোৰ একাদশ, দ্বাদশ শ্ৰেণী জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ একাদশ, দ্বাদশ, ১ম যান্মাষিক,৩য় যান্মাষিক আৰু ৫ম যান্মাষিক কলাবিভাগৰ কিছু সংখ্যক ছাত্ৰ ছাত্ৰী হ'ল এই অধ্যয়নৰ জনসংখ্যা। ইয়াৰ ভিতৰত ২৮৫ গৰাকী ছাত্ৰী আৰু ১১০ জন ছাত্ৰসহ মুঠ ৪০০ গৰাকীহে এই অধ্যয়নত নমুনা () হিচাপে লোৱা হৈছে।এওঁলোক অনুসূচিত, জনজাতি আৰু সাধাৰণ শ্ৰেণীৰ অন্তৰ্ভুক্ত। তালিকা ১ ত এই নমুনা ছাত্ৰ-ছাত্ৰীৰ শিক্ষানুষ্ঠান অনুয়াযী দাঙি ধৰা হ'ল।

তালিকা ১

বকো ছোৱালী হাইস্কুল কনিষ্ঠ মহাবিদ্যালয় বকো আৰু জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকোৰ শ্ৰেণী অনুসৰি নমুনা ছাত্ৰ-ছাত্ৰীৰ পৰিমাণ।

| ক্ৰমিক নং | শিক্ষানুষ্ঠানৰ নাম | শ্ৰেণী | ছোৱালীৰ সংখ্যা | ল'ৰাৰ সংখ্যা | মুঠ |
|---|---|---|---|---|---|
| ১ | বকো ছোৱালী হাইস্কুল দশম | দশম | ৬০ | - | ৬০ |
| ২ | কনিষ্ঠ মহাবিদ্যালয় | একাদশ | ৩০ | ১৫ | ৪৫ |
| ৩ | জৱাহৰলাল নেহৰু মহাবিদ্যালয় | একাদশ | ৩০ | ১০ | ৪০ |
| | | দ্বাদশ | ৮০ | ৪৫ | ১২৫ |
| | | ১ম ষান্মাষিক | ২৫ | ২০ | ৪৫ |
| | | ৩ য় ষান্মাষিক | ৩০ | ১৫ | ৪৫ |
| | | ৩ য় ষান্মাষিক | ৩০ | ১০ | ৪০ |
| | | মুঠ | ২৮৫ | ১১৫ | ৪০০ |

**৬.২. সঁজুলি (Tool) ঃ** এই অধ্যয়নত গৱেষকে নিজে প্ৰস্তুত কৰা প্ৰশ্নসূচী (Self-constructed Questionnaire) ব্যৱহাৰ কৰিছে। ইয়াত মুঠ ২৮ টা প্ৰশ্ন আছে। এই প্ৰশ্নসূচীয়ে Thraston Method অনুসৰণ কৰিছে।

**৬.৩. তথ্য (Data) ঃ** এই অধ্যয়ন প্ৰাথমিক আৰু গৌণ তথ্যৰ ওপৰত নিৰ্ভৰশীল।

**৬.৪. তথ্য বিশ্লেষণ কৌশল (Techniques of Data Analysis) ঃ**

(ক) প্ৰাপ্ত তথ্যসমূহ তালিকাকৰণ কৰা হৈছে।

(খ) প্ৰাপ্ত তথ্য সমূহ শতকৰা হাৰত প্ৰকাশ কৰা হৈছে।

**৭.০. তথ্য বিশ্লেষণ (Data Analysis) ঃ**

এই অধ্যয়নৰ মূল উদ্দেশ্য হ'ল বকো ছোৱালী হাইস্কুল কনিষ্ঠ মহাবিদ্যালয়, বকোআৰু জৱহৰলাল নেহৰু মহাবিদ্যাল, বকো, এই শিক্ষানুষ্ঠান

কেইখনৰ মুঠ ৪০০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ সাজ-পোছাক পৰিধান প্ৰৱণতাৰ বিষয়ে অধ্যয়ন কৰা। সেইবাবে এই অধ্যয়নত তথ্য আহৰণ কৰিবৰ বাবে গৱেষকে নিজে ছাত্ৰ ছাত্ৰীৰ কাষ চাপে। এই অধ্যয়নৰ পৰম্পৰা সাজপাৰৰ ভিতৰত পাটমুগাৰ মেখেলা চাদৰ, মুগা-ৰিহা, হোৱা মেখেলা চাদৰ, কপাহী কাপোৰ, এড়ী চাদৰ, গামোচা দখনা ডাকবন্ধা, কাম্বাং, পাতেনি, আৰনাই, পাঞ্জাবী কুৰ্তা, ধূতী-পাঞ্জাবী চল আদি লোৱা হৈছিল। সেইদৰে আধুনিক সাজপাৰৰ ভিতৰত জিনচ্ -পেণ্ট, চুৰিদাৰ কামিজ, ফ্ৰক, স্কাৰ্ট, লেগিচ, কামিজ, পাতিয়ালা কামিজ, ঘাগড়া, শাৰী মেক্সি-নাইটি, লংপেমট-চাৰ্ট, টি-চাঁৰ্ট হাফ্‌পেমট (চৰ্ট), চুৰেটাৰ-জেকেট, পলিষ্টাৰ জাতীয় কাপোৰ, ইউনিফৰ্ম আদি সামৰি লোৱা হৈছিল। ছাত্ৰ-ছাত্ৰীসকলে পৰম্পৰাগত আৰু আধুনিক সাজ-পোছাক পৰিধানৰ প্ৰতি জনোৱা সঁহাৰি (Response) ৰ বিশ্লেষণৰ তলত দাঙি ধৰা হ'ল।

অধ্যয়নত এই কথা দেখা গৈছে যে ৭৩.৬৮% ছাত্ৰীয়ে পাট মুগাৰ মেখেলা চাদৰ আৰু ৬৮.৭৭ % ই বোৱা মেখেলা চাদৰ আৰু গামোচা ব্যৱহাৰ কৰি বাল পায়। সেইদৰে ৫৯.৬৫% ছাত্ৰীয়ে কপাহী কাপোৰ প্ৰচণ্ড কৰে মাত্ৰ ২৪.৫৬% ই গে এড়ী কাপোৰ আৰু ডাকবন্ধা ভাল পায়। আনহাতে ৬৬.৬৭% ছাত্ৰীয়ে কাম্বাং-পাতেনি আৰু আৰণাই ব্যৱহাৰ কৰে। সেইদৰে অধ্যয়নত এই কথা পৰিলক্ষিত হৈছে যে ৪৫.০৯% ই দখনা ভাল পায়। মাত্ৰ ৩১.৫৮% শতাংশই পাঞ্জাবী ধূতি, পাঞ্জাবী কুৰ্ত্তা ভাল পায় ৫৬.১৪% ই মুগা ৰিহা ভাল পায়।

এই অধ্যয়নত দেখা গৈছে যে ৬৯.৫৭% ছাত্ৰই পাট-মুগা তথা বোৱা মেখেলা চাদৰ, ৰিহা আৰু ভাল পায়। সেইদৰে ৬০.৮৭% ই কপাহী কাপোৰ, এড়ী কাপোৰ আৰু দখনা পচন্দ কৰে। আনহাতে ৭৮.২৬% ছাত্ৰই গামোছা, আৰ নাই, পাঞ্জাবী কুৰ্ত্তা, পাঞ্জাবী ধূতি, ভাল পায়। মাত্ৰ ৪৩.৪৪% ছাত্ৰই ছোৱালীয়ে ডাকবন্ধা আৰু কাম্বাং পাতেনি পিন্ধা পচন্দ কৰে।

সেইদৰে দেখা গৈছে যে ৭৩.৬৮% ছাত্ৰীয়ে জিনচ্‌পেণ্ট আৰু লংপেণ্ট ভাল ৮৭.৭২% পায় ই চুৰিদাৰ কামিজ আৰু স্কাৰ্ট পচণ্ড কৰে। সেইদৰে ৭২.২৮% ছাত্ৰীয়ে ফ্ৰক আৰু লেগিচ কামিজ ভাল পায়। ৯১.২৯% ই পাতিয়াল কামিজ, শাৰী, টি চাৰ্ট, চুৰেটাৰ, জেকেট ভাল পায়। আনহাতে ৪৫.৬১% শতাংশই ঘাগড়া আৰু ৩৮.৬০% ই মেক্সি নাইটি, হাফ্‌পেণ্ট পৰিধান কৰে। মাত্ৰ ২৪.৫৬% ই হে পলিষ্টাৰ জাতীয় কাপোৰ ভাল পায়। লক্ষণীয়ভাৱে শতকৰা এশভাগেই

ইউনিফৰ্ম হিচাপে চুৰিদাৰ কামিজৰ পোষকতা কৰে।

আনহাতে এইটো দেখা গৈছে যে ৮২.৬১% ছাত্রই জিনচ্ পেণ্ট আৰু টি চার্ট ভাল পায়। ৬৯.৫৭% ছাত্রই চুৰিদাৰ কামিজ আৰু হাফ্‌পেণ্ট ভাল পায়। সেইদৰে ৬০.৮৭ % ই স্কার্ট, লেগিচ কামিজ আৰু মেক্সি প্রচণ্ড কৰে। ৭৩.৯১% আৰু ছাত্রই ক্রমান্বয়ে পাতিয়ালা কামিজ আৰু শাৰী তথা ইউনিফৰ্ম পচণ্ড কৰে। আনহাকে ৫২.১৭% ই ঘাগৰা ভালপোৱাৰ বিপৰীতে ২৬.০৯% ছাত্রই পলিষ্টাৰ জাতীয় কাপোৰ ব্যৱহাৰ কৰে।

৮.০. সিদ্ধান্ত (Findings) ঃ এই অধ্যয়নটিত এই কথা পৰিলক্ষিত হৈছে যে—

(১) বেছি সংখ্যক (৭৩.৬৮%,৬৯.৫৭% ) ছাত্রী-ছাত্রই পাট-মুগা মেখেলা চাদৰ ভাল পায়।

(২) বহুসংখ্যক ছাত্র-ছাত্রীয়ে বোৱা মেখেলা চাদৰ (৬৯.৭৭% ) ভাল পায়।

(৩) আধুনিক সাজপাৰ জিনচ্‌পেণ্ট, চুৰিদাৰ কামিজ, পাতিয়ালা, জেকেট-চুৱেটাৰ আদিৰ প্রতি সৰহ সংখ্যক ছাত্র-ছাত্রীৰ অনুৰাগ আছে (৭৩.৬৮% , ৮৭.৭২% , ৯১.২৯% )

(৪) ছাত্রীসকলে ইউনিফৰ্ম হিচাপে চুৰিদাৰ কামিজ পচন্দ কৰে।

(৫) বিভিন্ন ডিজাইন, ব্যৱহাৰৰ সূচলতা আৰু আৰাম দায়ক হোৱা বাবে আধুনিক সাজপাৰ ছাত্র-ছাত্রী সকলেব্যৱহাৰ কৰে।

(৬) ছাত্র-ছাত্রীসকলে বিভিন্ন উৎসৱ-পার্বন সামাজিক অনুষ্ঠান আদিৰ পৰম্পৰাগত সাজপাৰ পৰিধান কৰিব বিচাৰে। দৈনন্দিন জীৱনত আৰামদায়ক (আধুনিক) সাজপাৰ পৰিধান কৰি ভাল পায়।

৯.০. পৰামৰ্শ ঃ এই অধ্যয়ন সীমিত পৰিসৰত কৰা হৈছে। সেয়েহে নিজ অভিজ্ঞতাৰ ওপৰত নির্ভৰ কৰি গৱেষকে তলত দিয়া পৰামৰ্শসমূহ দাঙি ধৰিব বিচাৰিছে।

(ক) এই অধ্যয়ন বহল পৰিসৰত কৰিব পাৰে।

(খ) কেবাখনো শিক্ষানুষ্ঠানৰ ছাত্র-ছাত্রীৰ মাজত এক তুলনামূলক অধ্যয়ন কৰিব পাৰে।

(গ) নগৰ আৰু গ্ৰাম্য অঞ্চলৰ ছাত্র-ছাত্রীৰ মাজত এক তুলনামূলক

অধ্যয়ন কৰিব পাৰে।

(ঘ) পৰম্পৰাগত সাজপাৰৰ প্ৰতি অনীহা হোৱাৰ কাৰণ সম্বন্ধে অধ্যয়ন কৰিব পাৰে।

**১০.০. সামৰণি ঃ** নিজ ভাষা সংস্কৃতিয়ে যিদৰে একোটা জাতিৰ পৰিচয় দাঙি ধৰে তেনেকৈ পৰম্পৰাগত সাজ-পোছাকেও জাতীয় বৈশিষ্ট্য বা নিজৰ চিনাকি দাঙি ধৰাত সহায় কৰে। বিশেষকৈ গোলকীকৰণৰ যুগত স্বকীয় বৈশিষ্ট্য বজাই ৰখাটো অতি গুৰুত্বপূৰ্ণ। নিজৰ সুবিধাৰ বাবে অন্য সংস্কৃতি গ্ৰহণ কৰিলেও বা Assimilation হ'লেও নিজৰ চিনাকী অক্ষুণ্ণ ৰাখিবলৈ আমি সততে সজাগ হোৱা প্ৰয়োজন। যিহেতু নৱ প্ৰজন্মৰ কাম-কাজ আৰু দৃষ্টিভংগীৰ ওপৰতে দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰে গতিকে তেওঁলোকে আধুনিক সাজপাৰৰ লগতে পৰম্পৰাগত সাজপাৰ পৰিধানৰ প্ৰতি গুৰুত্ব আৰোপ কৰা অতি প্ৰয়োজন।

**প্ৰসঙ্গ পুথি ঃ**

গগৈ, লীলা (২০১১) ঃ অসমৰ সংস্কৃতি,
বনলতা, গুৱাহাটী -১
ডেকা, বীৰেন্দ্ৰ (২০১২) শিক্ষা সমাজ বিজ্ঞান,
অশোক বুক ষ্টল গুৱাহাটী -১
নাথ স্বপনজ্যোতি (২০১২) ঃ লোকসংস্কৃতি আৰু বি...য়ন,
অসমীয়া বিভাগ, খাগৰিজান মহাবিদ্যালয় নগাঁও, অসম
শইকীয়া নগেন (২০১৩) ঃ অসমীয়া মানুহৰ ইতিহাস,
কথা পাব্লিকেশ্যন, গুৱাহাটী -১